ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়

আলোচনী

পঞ্চদশ সংখ্যা
২০০৯-১০ বৰ্ষ

সম্পাদক- গজেন নাথ



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ হাজৰিকা

ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়

'ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আলোচনী' ঃ এটি তথ্যভিত্তিক বিৱৰণ

❀ কুমুদ তালুকদাৰ
❀ ভবানন্দ বৰা

১৯৬৩ চনত প্ৰতিষ্ঠা লাভ কৰা ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ বা আলোচনী প্ৰথম প্ৰকাশিত হয় ১৯৭৫-৭৬ শৈক্ষিক বৰ্ষত। ১৯৭৫-৭৬ বৰ্ষত প্ৰকাশিত প্ৰথম বছৰ প্ৰথম সংখ্যা মুখপত্ৰখনৰ শিৰোনাম হৈছে— 'ত্যাগবীৰ হেম বৰুৱা কলেজ আলোচনী।' এই সংখ্যাটোৰ সম্পাদক হৈছে শ্ৰীপুণ্যজ্যোতি গোস্বামী আৰু তত্ত্বাৱধায়ক অধ্যাপক যুটীয়াভাৱে শ্ৰীযুত ইন্দ্ৰ প্ৰসাদ হাজৰিকা আৰু শ্ৰীযুত গোলাপ কলিতা। আলোচনীখন তেজপুৰৰ জনতা প্ৰেছত ছপা কৰা হৈছিল। আলোচনীখনৰ মুঠ পৃষ্ঠা সংখ্যা ৭২। প্ৰথম সংখ্যাটো ত্যাগবীৰ হেম বৰুৱাদেৱৰ স্মৃতিত উচৰ্গা কৰা হৈছে। আলোচনীখনৰ কবিতা শিতানটো সজাইছে ক্ৰমে— শ্ৰীজ্যোতিকা শৰ্মা, কুমাৰী ধীৰু গগৈ, শ্ৰীইনু মহন্ত, শ্ৰীবিদ্যুৎজ্যোতি বৰা, শ্ৰীবিপুল ভূঞা, শ্ৰীশুভেশ্বৰী দাস আৰু ৰুণু মেধিয়ে। গল্প শিতানটো সজাইছে ক্ৰমে— শ্ৰীইন্দ্ৰ প্ৰসাদ হাজৰিকা, শ্ৰীগীতাঞ্জলি বৰা, শ্ৰীদিলীপ কুমাৰ ভূঞা আৰু ৰূপালী বৰাই। আলোচনীখনৰ প্ৰবন্ধ শিতানত শ্ৰীসুৰেন দাস, শ্ৰীমল্লিকা গোস্বামী, , শ্ৰীশিবেন দাস, শ্ৰীপূৰ্ণ ভূঞা, শ্ৰীফণীন্দ্ৰ উপাধ্যায়, শ্ৰীচেনাৰাম বৰা আৰু শ্ৰীগণেশ পাঠকৰ প্ৰবন্ধ আছে। আলোচনীখনৰ ইংৰাজী বিভাগৰ পৃষ্ঠা সংখ্যা সুকীয়াকৈ দেখুওৱা হৈছে। ইংৰাজী শিতানত Sri B.K. Bora, Sri Pradip Kumar Baruah, Sri Indra Prasd Saikia, Sri Dhiru Gogoi, Sri Probodh Baruahৰ লিখনী প্ৰকাশিত হৈছে।

প্ৰথম সংখ্যা আলোচনীখনৰ দ্বিতীয় পৃষ্ঠাত আলোচনীখন ত্যাগবীৰ হেম বৰুৱাদেৱৰ স্মৃতিত উচৰ্গা কৰাটো ঘোষণা কৰা হৈছে। এই পৃষ্ঠাত উল্লিখিত কথাখিনি ভৱিষ্যতৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি পুনৰ উল্লেখ কৰা হ'ল।

'ত্যাগবীৰ হেম বৰুৱা, জন্ম— ২৫ এপ্ৰিল ১৮৯৩ চন; মৃত্যু— ১১ আগষ্ট ১৯৪৫ চন। ভাৰতৰ স্বাধীনতা যুদ্ধৰ প্ৰথম শ্ৰেণীৰ সৈনিক, একান্ত দেশসেৱক, অফুৰন্ত কৰ্মপ্ৰেৰণাৰ উৎস, ত্যাগী পুৰুষ হেম বৰুৱাদেৱৰ জন্ম হয় তেজপুৰত। পিতৃ পোৱাল বৰুৱা আৰু মাতৃ পদ্মাৱতী বৰুৱাৰ সান্নিধ্যৰে গৰীয়ান হোৱা বৰুৱাই তেজপুৰত স্কুলীয়া শিক্ষা লৈ কটন কলেজৰ পৰা ১৯১৯ চনত ইংৰাজীত অনাৰ্চসহ বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত আৰ্ল-ল কলেজত ভৰ্তি হয়। ১৯১৮ চনত 'কটন কলেজ ছাত্ৰ সন্থা'ৰ সাধাৰণ সম্পাদক; ১৯১৯ চনত সদৌ অসম ছাত্ৰ সন্থাৰ সম্পাদক হৈ ছাত্ৰসন্থাৰ গুৰি ধৰাৰ লগতে কংগ্ৰেছকো নীতি প্ৰয়োগত সহায় কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনত বৰুৱা জপিয়াই পৰে আৰু সেই বছৰতে ৫ মাহৰ কাৰণে সশ্ৰম কাৰাদণ্ড ভোগে। ১৯২৫ চনত বৰুৱা কলিকতাৰ পৰা ল পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯২৬ চনত গুৱাহাটীত ওকালতিত নামে। ১৯৩০ চনত গান্ধীজীৰ আহ্বানে পুনৰ তেওঁক জগাই তোলে আৰু ১৯৪৫ চনলৈকে অৰ্থাৎ মৃত্যুৰ সময়লৈকে তেওঁ অসম কংগ্ৰেছৰ গুৰি ধৰে। ৰাজনীতি আৰু মাতৃভূমিক সেৱা কৰাটো উশাহ-নিশাহ ৰূপে থকা এইজন ত্যাগী পুৰুষৰ জীৱন ১৯৪৫ চনৰ ১১ আগষ্ট তাৰিখে সামৰণি পৰে।'

প্ৰথম সংখ্যা আলোচনীখনৰ সম্পাদকীয়ত 'অসমীয়া সাহিত্য আৰু নতুন পুৰুষ' শিৰোনামেৰে নতুন পুৰুষৰ কলমত নতুন সমাজ গঢ়াৰ আহ্বান জনোৱা হৈছে।

ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ দ্বিতীয় সংখ্যা আলোচনী প্ৰকাশ হয় ১৯৭৭-৭৮ শৈক্ষিক বৰ্ষত। দ্বিতীয় সংখ্যাৰ সম্পাদক শ্ৰীজগত চন্দ্ৰ নাথ আৰু তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত ইন্দ্ৰ প্ৰসাদ শইকীয়া। এই সংখ্যাটো তেজপুৰৰ জনতা প্ৰেছত ছপা কৰা হৈছিল। মুঠ পৃষ্ঠা সংখ্যা ১০২। দ্বিতীয়টো সংখ্যা ত্যাগবীৰ হেম বৰুৱাৰ নামত উচৰ্গা কৰা হৈছে। দ্বিতীয় সংখ্যাটোৰ কবিতা শিতানত শ্ৰীনিৰু শৰ্মা, কুমাৰী ধীৰু গগৈ, শ্ৰীযাদব বৰা, শ্ৰীসুৰেন কুমাৰ শৰ্মা, শ্ৰীশান্তি উপাধ্যায়, শ্ৰীপ্ৰদীপ বৰা, শ্ৰীকল্পনা বৰা, শ্ৰীজগত চন্দ্ৰ নাথ, শ্ৰীভাস্কৰ শৰ্মা আৰু ইউৰাজ ভূজেলৰ কবিতা প্ৰকাশিত হৈছে।

গল্প শিতানত শ্ৰীভক্তি দেৱী, শ্ৰীদিপক বৰঠাকুৰ, শ্ৰীগীতাঞ্জলি বৰা, শ্ৰীঅঞ্জনা শইকীয়া আৰু শ্ৰীসুৰেন কলিতাৰ গল্প প্ৰকাশিত হৈছে। প্ৰবন্ধ শিতানত শ্ৰীবঙ্কিম বৰদলৈ, শ্ৰীবীৰেন্দ্ৰ কুমাৰ মুদৈ, অধ্যাপক শ্ৰীগুৰু প্ৰসাদ তামুলী, শ্ৰীপৰেশ কুমাৰ শইকীয়া, অধ্যাপক শ্ৰীশিবেন দাস, শ্ৰীমামনী দেৱী, শ্ৰীদুলাল বৰা আৰু অধ্যাপক শ্ৰীসুৰেন ঠাকুৰীয়াৰ প্ৰবন্ধ প্ৰকাশিত হৈছে। এই সংখ্যা আলোচনীত 'এৰাঁজলি প্ৰশ্নৰ সমিধান বিচাৰি' শীৰ্ষক এটি শিতানত প্ৰশ্ন সমূহৰ উত্তৰ দিছিল— অধ্যাপক ভবেন বৰা, অধ্যাপক সত্যব্ৰত গোস্বামী,

অধ্যাপক ৰেৱতী ভূঞা আৰু অধ্যাপক শ্ৰীলীলা শইকীয়াই। আলোচনীখনৰ ইংৰাজী শিতানত Sri Jadav ch. Borah, B.K. Borah, Sri Inu Mahanta, Sri Mallika Goswami, Sri Suren Das আৰু Sri A. K. Medhi ৰ লিখনী সন্নিৱিষ্ট হৈছে। এই সংখ্যাটোৰ সম্পাদকীয়ৰ শিৰোনাম হৈছে— 'সাহিত্য আৰু সাধনা।' উক্ত সম্পাদকীয়ৰ মাজতে উল্লেখ কৰিছে যে ১৯৭৬-৭৭ বৰ্ষৰ আলোচনীখন প্ৰকাশ নহ'ল।

ত্যাগবীৰ হেম বৰুৱা কলেজ আলোচনীৰ তৃতীয় সংখ্যাটি প্ৰকাশিত হয় ১৯৮১-৮২ চনত। এই সংখ্যাটোৰ সম্পাদক হৈছে— শ্ৰীকৃষ্ণকান্ত তালুকদাৰ। তত্ত্বাৱধায়ক শ্ৰীযুত ইন্দ্ৰ প্ৰসাদ হাজৰিকা। আলোচনীখন তেজপুৰৰ জনতা প্ৰেছত ছপা কৰা হৈছিল আৰু মুঠ পৃষ্ঠা সংখ্যা ৯৬। এইটো সংখ্যা কলেজৰ ছাত্ৰ প্ৰফুল্ল শইকীয়া, প্ৰাক্তন ছাত্ৰ ত্ৰৈলোক্য ভূঞা, বীৰেন মিশ্ৰৰ লগতে অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ অম্লান স্মৃতিত উচৰ্গা কৰা হয়। সম্পাদকীয়ত সমকালীন অসমৰ সমাজ জীৱনৰ এক প্ৰতিচ্ছবি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। তলত সম্পাদকীয়টোৰ এটি অংশ উদ্ধৃত কৰা হ'ল—

'চকুপানী, হাতত ফুলৰ মালা ঃ অসমত বিদেশী বিতাৰণ আন্দোলনৰ পৰিপ্ৰেক্ষিতত এই চাৰি বছৰে অসমী আইয়ে বহু ডেকা-গাভৰু, পুৰুষ-মহিলা, শিশুক অকালতে হেৰুৱালে। সেইসকল বীৰ, যিসকলে বুকুৰ তেজেৰে জননীৰ পূজা কৰি গ'ল। সেই বীৰসকলৰ মাজৰে আমাৰ কলেজৰ ছাত্ৰ প্ৰফুল্ল শইকীয়া, বলিন নাথ, প্ৰসন্ন কুমাৰ বৰুৱা, শ্যাম কুণ্ড, দৰং জিলাৰ যুৱ নেতা ত্ৰৈলোক্য ভূঞা, বীৰেন মিশ্ৰ, স্থানীয় যুৱ নেতা ভূপেন ডেকা, বয়োবৃদ্ধ সংগ্ৰামী জয়ৰাম বৰুৱা, পলাশ ৰাজবংশীৰ নাম ভক্তিভাৱে স্মৰণ কৰিছোঁ। এওঁলোকৰ আৰু এওঁলোকৰ নিচিনা বৰণীয়, স্মৰণীয়া সকলৰ মৃত্যুত শোক প্ৰকাশ কৰিবলৈ চিৰদিন আমাৰ চকুত থাকিব পানী আৰু হাতত থাকিব ফুলৰ মালা।'

এই সংখ্যাৰ কবিতা শিতানত ইৰাণী দত্ত মেধি, পৱন বাৰুতি, শেৱালি গায়ন, খৰ্গ বাহাদুৰ ছেত্ৰী, বৰষা সন্দিকৈ, স্বপন কুমাৰ শৰ্মা, মমী ৰাজবংশী, মহেন্দ্ৰ ভূঞা, অৱনী হালৈ, প্ৰেশৱ ভূঞা, জুৰি প্ৰজ্ঞা, মমী ভাগৱতী, ধীৰাজ কুমাৰ শইকীয়া, ইন্দ্ৰ প্ৰসাদ হাজৰিকা আৰু মদন বৰাৰ কবিতা প্ৰকাশিত হৈছে। গল্পৰ শিতানত শ্ৰীপ্ৰবীণ হাতীবৰুৱা, শ্ৰীবীণা হাজৰিকা, গুণকান্ত দাস আৰু ইন্দ্ৰ প্ৰসাদ শইকীয়াৰ গল্প আছে। প্ৰবন্ধ শিতানত শ্ৰীমুন শইকীয়া, শ্ৰীজীৱন বৰা, শ্ৰীপ্ৰণতি হাজৰিকা, শ্ৰীহৰি প্ৰসাদ শৰ্মা, শ্ৰীদিব্যজ্যোতি গোস্বামী, শ্ৰীমণিকা দাস আৰু শ্ৰীভোলা শৰ্মাৰ প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। এই সংখ্যাৰ ইংৰাজী শিতানত Sri B.K. Bora, Miss Karabi Gayan, Sri Krishna kanta Talukdar, Sri Mridul Hazarika, Sri Mitradev Das, Sri Maharath Dekaৰ লেখা প্ৰকাশিত হৈছে।

মহাবিদ্যালয়ৰ আলোচনীৰ চতুৰ্থ সংখ্যাটো ১৯৮৫-৮ চনত প্ৰকাশিত হয়। এই সংখ্যাৰ সম্পাদক শ্ৰীপ্ৰণৱ ফুকন আৰু তত্ত্বাৱধায়ক শ্ৰীযুত ইন্দ্ৰ প্ৰসাদ হাজৰিকা। আলোচনীখন তেজপুৰৰ জনতা প্ৰেছত ছপা কৰা হয়। মুঠ সংখ্যা ৯৪। পূৰ্ব তিনিটা সংখ্যাৰ আলোচনী 'ত্যাগবীৰ হেম বৰুৱা কলেজ আলোচনী' নামেৰে প্ৰকাশিত হোৱাৰ বিপৰীতে চতুৰ্থ সংখ্যা 'ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আলোচনী' শিৰোনামেৰে প্ৰকাশ পায়। এইটো সংখ্যা অধ্যাপক ৰেৱতী ভূঞাৰ স্মৃতি উচৰ্গিত। 'আৰু এটা খোজ' শিৰোনামেৰে সম্পাদকীয়টোৰ বিদেশী প্ৰব্ৰজন সমস্যা, অসম চুক্তি, আমাৰ কৰ্মস্পৃহাৰ ওপৰত আলোকপাত কৰা হৈছে।

চতুৰ্থ সংখ্যাটোৰ কবিতা শিতানত শ্ৰীবৰ্ণালী ৰাজবংশী শ্ৰীবিমল খনাল, শ্ৰীতৃষ্ণা ভাগৱতী, জ্যোতি, শ্ৰীদীপালী দেৱী শ্ৰীপ্ৰকাশ বৰা, শ্ৰীলোচন বৰা, শ্ৰীইৰাণী দত্ত মেধি আৰু শ্ৰীসুৰেন কলিতাৰ কবিতা প্ৰকাশিত হৈছে। প্ৰবন্ধ শিতানত শ্ৰীআল্পনা সেন, শ্ৰীপাপৰি শইকীয়া, শ্ৰীপ্ৰণৱ ফুকন, শ্ৰীসংগীতা দেৱী, শ্ৰীসুজিত সেন, শ্ৰীঅশ্বিনী কুমাৰ ডেকা, শ্ৰীপল্লৱী ভূঞা শ্ৰীকল্পনা হাজৰিকা গায়ন আৰু শ্ৰীসত্যব্ৰত দেৱগোস্বামীৰ প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। গল্প শিতানত শ্ৰীমঞ্জুলা শৰ্মা, শ্ৰীপৰাশজ্যোতি শইকীয়া, শ্ৰীমতী ৰীণা হাজৰিকা, শ্ৰীমহিম শইকীয়া আৰু শ্ৰীনিশাজ্যোতি হাজৰিকাৰ গল্প প্ৰকাশিত হৈছে। এই সংখ্যাৰ ইংৰাজী শিতানত Miss Rama Sen, Prof. B.K. Borah, Prof. Apurba Kumar Medhi, Prof. Lila Saikia আৰু Basudev Sarmahৰ লিখনী প্ৰকাশিত হৈছে।

মহাবিদ্যালয়ৰ আলোচনীৰ ষষ্ঠ সংখ্যাটো প্ৰকাশ পায় ১৯৯৫-৯৬ চনত। এইটো সংখ্যাৰ সম্পাদক শ্ৰীৰোমান বৰা তত্ত্বাৱধায়ক অধ্যাপক ইন্দ্ৰ প্ৰসাদ হাজৰিকা। আলোচনীখন তেজপুৰৰ বিক্ৰমাদিত্য প্ৰিণ্টাৰ্ছত ছপা কৰা হৈছিল। মুঠ পৃষ্ঠা সংখ্যা ১৪৩। এইটো সংখ্যা আলোচনী একবিংশ শতিকা অভিমুখী যুৱক-যুৱতীৰ হাতত উচৰ্গা কৰা হৈছে। এইটো সংখ্যাৰ বেটুপাত অংকন কৰিছে দিব্যজ্যোতি নাথে। প্ৰবন্ধ শিতানত শ্ৰীৰঞ্জন কুমাৰ নাথ, শ্ৰীবৰ্ণালী শইকীয়া, শ্ৰীখগেন কুমাৰ দাস, শ্ৰীঅপূৰ্ব কুমাৰ মেধি, শ্ৰীৰাতুল সন্দিকৈ, শ্ৰীৰোমান বৰা, শ্ৰীমনোজ কুমাৰ শইকীয়া, শ্ৰীশিবেন্দ্ৰ চন্দ্ৰ দাস, শ্ৰীউৎপল ভূঞা, শ্ৰীপ্ৰশান্ত শৰ্মা, শ্ৰীবুলেন বৰা, মিচ মল্লিকা আহমেদ আৰু শ্ৰীৰশ্মি দেৱীৰ প্ৰবন্ধ প্ৰকাশিত হৈছে। গল্প শিতানত শ্ৰীজয় প্ৰতীম বৰুৱা, শ্ৰীৰশ্মিৰেখা দেৱী, শ্ৰীময়ূৰ গগৈ, শ্ৰীনুপুৰ হাজৰিকা আৰু মিচ্ আছফিকা বেগমৰ গল্প সন্নিৱিষ্ট হৈছে। কবিতা শিতানত শ্ৰীইন্দ্ৰ প্ৰসাদ শইকীয়া, শ্ৰীৰাস্না ৰাজখোৱা, শ্ৰীমোহন কৈৰালা, শ্ৰীকৃষ্ণা হাজৰিকা, শ্ৰীৰেখা দেৱী, শ্ৰীনন্দিতা শইকীয়া, শ্ৰীমৌচুমী ৰাজবংশী, শ্ৰীতীৰ্থ শইকীয়া, শ্ৰীসিদ্ধাৰ্থ

শংকৰ কলিতা, শ্ৰীমৌচুমী হাজৰিকা, শ্ৰীঅৰুণা দেৱী, শ্ৰীইৰাণী দত্ত মেধি, শ্ৰীঅশ্ৰুমণি বৰা, শ্ৰীদিব্যজ্যোতি নাথ আৰু শ্ৰীইন্দ্ৰ প্ৰসাদ হাজৰিকাৰ কবিতা প্ৰকাশ হৈছে।

ইংৰাজী শিতানত Miss Nupur Hezarika, Prof. Ramesh Dabari, SRi Sumanta Rajbanshi, Prof. Dilip Kalita, Sri Kushal Nath, Sri Ramesh Dabari, Sri Debananda Borah, Sri Sanjoy kr. Gogoi আৰু Prof. Dipen kumar Sarmahৰ লিখনী প্ৰকাশিত হৈছে। আলোচনীখনৰ সম্পাদকীয়ত সাম্প্ৰতিক কালৰ শৈক্ষিক সংকটৰ ওপৰত আলোকপাত কৰা হৈছে। তলত সম্পাদকীয়টিৰ এটি অংশত উদ্ধৃতি দিয়া হ'ল—

'এই সম্পাদকীয় লেখাৰ মুহূৰ্তত মনলৈ আহে ১৫ আগষ্টৰ ছবি। স্বাধীনতা দিৱস। এফালে স্বাধীনতা দিৱসৰ চৰকাৰী উলহ-মালহ, আনফালে ইয়াক বৰ্জনৰ আস্ফালন। এই সম্পাদকীয় লেখাৰ সময়ত ইয়াৰ কোনো ছাত্ৰ-ছাত্ৰীয়েই কিতাপ-পত্ৰৰ মাজত ডুবি থকাৰ পৰিৱেশ নাই। নাই যেন কোনো বিকল্প আনুষ্ঠানিক শিক্ষা সমাপ্ত হোৱাৰ পিছত স্বপ্ন ভংগৰ বিষাদত মোহ ভংগৰ নৈৰাশ্যতাত দিশহাৰা যৌৱনক অন্ধকাৰ পথৰ পৰা উজ্বলতাৰ ফালে ওলোটাই অনাৰ পথ।' উল্লেখযোগ্য যে এই সংখ্যা আলোচনীয়ে গুৱাহাটী বিশ্বৱিদ্যালয় যুৱ মহোৎসৱত শ্ৰেষ্ঠ সম্পাদকীয় শিতানত সোণৰ পদক লাভ কৰে।

ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আলোচনীৰ অষ্টম সংখ্যাটো প্ৰকাশ পায় ১৯৯৬-৯৭ চনত। এইটো সংখ্যাৰ সম্পাদক সিদ্ধাৰ্থ শংকৰ কলিতা। তত্ত্বাৱধায়ক অধ্যাপক ইন্দ্ৰ প্ৰসাদ শইকীয়া। আলোচনীখন ডিজ-আৰ্ট, চেনীকুঠি-গুৱাহাটীত মুদ্ৰিত আৰু মুঠ পৃষ্ঠা সংখ্যা ১১২। মহাবিদ্যালয়ৰ জন্মলগ্নৰ প্ৰতিগৰাকী নমস্য ব্যক্তিৰ প্ৰতি আলোচনীখন উচৰ্গা কৰা হৈছে। এইটো সংখ্যাৰ প্ৰবন্ধ শিতানত উপাসনা হাজৰিকা, দেবানন্দ বৰা, ববিতা ভট্টাচাৰ্য, স্মৃতি সন্দিকৈ, লাকী কলিতা, দেৱজিৎ শইকীয়া, ৰোমান বৰা, ৰশ্মি দেৱী, ৰশ্মিৰেখা শইকীয়া, ড° দুৰ্গেশ্বৰ বৰা, অধ্যাপক পূৰ্ণকান্ত ভূঞাৰ প্ৰবন্ধ প্ৰাকশিত হৈছে। কবিতা শিতানত গৌতম হাজৰিকা (অনুবাদ কবিতা) নূপুৰ হাজৰিকা, ধৰ্মেন্দ্ৰ নাথ, সিদ্ধাৰ্থ শংকৰ কলিতা, অশ্বিনী কুমাৰ বৰা, ৰেখা দেৱী, অনুজ কুমাৰ হাজৰিকা, মৌচুমী বৰুৱা, জিন্টি বৰদলৈ, জয়ন্ত ৰাজবংশী, পৰাগজ্যোতি নাথ, ৰাম্না ৰাজখোৱা, শেৱালি হাজৰিকা, ক্ষীৰ কলিতা, খঞ্জন কুমাৰ দাস, দিলীপ ভূঞাৰ কবিতা প্ৰকাশিত হৈছে। গল্প শিতানত জয়ন্ত প্ৰতিম বৰুৱা, মণ্টু কুমাৰ শইকীয়া, কুশ বৰমুদৈ, কিশোৰ ৰঞ্জন ভট্টাচাৰ্য, মানস নাথ, অনিজাহান বেগম, ইন্দ্ৰ প্ৰসাদ হাজৰিকা আৰু কুমুদ তালুকদাৰৰ গল্প প্ৰকাশিত হৈছে। ইংৰাজী শিতানত Sri Basav Bhuyan, Sri Sanjoy kr. Gogoi, Prof. Ramesh Dabari, Sri Bhabananda Borah, Sri Debabrate Hazarika, Sri Dipanjali Saikia, Sri Monaj Parajuli, Nupur Hazarika, Prof. Lila Saikia, Prof. Diganta Neog, Prof. Jayanta Baruah, Prof. Sahabuddin Ahmed, Utpal Sarmah, Sanjoy Sarmah, Pranami Saikia, Hemlal Parhe, Shreemonta Borah, Dambaru Acharya, Dibyajyoti Hazarikaৰ লিখনী প্ৰকাশিত হৈছে।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰা হ'ল যে সিদ্ধাৰ্থ শংকৰ কলিতা সম্পাদিত এইটো সংখ্যা আলোচনীয়ে নিম্নোক্ত বঁটা সমূহ লাভ কৰিবলৈ সক্ষম হৈছে—

১। দ্বিতীয় শ্ৰেষ্ঠ আলোচনী ঃ যুৱ মহোৎসৱ, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৯৮ চন।

২। শ্ৰেষ্ঠ সম্পাদকীয় ঃ Literary Association, Tezpur, ১৯৯৯ চন।

৩। শ্ৰেষ্ঠ আলোচনী আৰু শ্ৰেষ্ঠ সম্পাদকীয় ঃ নতুন সাহিত্য পৰিষদ ২০০০ চন।

৪। শ্ৰেষ্ঠ আলোচনী ঃ অসম সাহিত্য সভা ২০০১ চন।

মহাবিদ্যালয় আলোচনীৰ দশম সংখ্যা ১৯৯৮-৯৯ বৰ্ষত প্ৰকাশ পায়। এইটো সংখ্যাৰ সম্পাদক ৰাজীৱ বৰুৱা আৰু তত্ত্বাৱধায়ক অধ্যাপক ইন্দ্ৰ প্ৰসাদ শইকীয়া। আলোচনীখন মেগা কম্পিউটাৰ প্ৰিণ্টাৰ্ছ, বালিপাৰাত ছপা কৰা হৈছে। এইটো সংখ্যাৰ কবিতা শিতানত— ৰাম্না ৰাজখোৱা, জয়ন্ত ৰাজবংশী, দিব্যজ্যোতি হাজৰিকা, মূৰ্চ্ছনা বৰা, বলীন ভূঞা, ৰিদিপ হাজৰিকা, জ্যোতিষ চৌধুৰী, দুলুমণি দেৱী, ইন্দ্ৰ প্ৰসাদ শইকীয়া, পূবালী হাজৰিকা, তৃপ্তিৰেখা শইকীয়া, পুষ্পা দেৱী, দীপজ্যোতি দাস, মৌচুমী বৰুৱা, মৃদুল বৰুৱা, উপাসনা হাজৰিকা, ৰাজীৱ বৰুৱাৰ কবিতা প্ৰকাশ পাইছে। গল্প শিতানত— জয়ন্ত ৰাজবংশী, ৰেৱতী দাস, বিদ্যুৎ বড়ো, মাধৱ দাস, মনোৰঞ্জন নাথ আৰু তুলসী দাসৰ গল্প প্ৰকাশিত হৈছে। প্ৰবন্ধ শিতানত— চুমী হাজৰিকা, ৰিতুমণি দাস, অধ্যাপিকা, ইৰাণী দত্ত মেধি, কিশোৰ ৰঞ্জন ভট্টাচাৰ্য, পবিত্ৰ প্ৰতীম বৰুৱা আৰু দিলীপ ভূঞাৰ প্ৰবন্ধ প্ৰকাশ পাইছে।

ইংৰাজী শিতানত Pabitra Dhungal, Upasana Hazarika, Rohit Oli, Dipankar Bordoloi, Malabika Bhattacharya, Sanjoy Sarmah, Prof. Tilak Sarmah, Sanjiv Hazarika, Prof. Ramesh Dabari, Prof. Sahabuddin Ahmed, Prof. Diganta Neog, Biraj Sarmah, Bhaskar Khound, Prof. Jayanta Baruahৰ লিখনী প্ৰকাশিত হৈছে।

মহাবিদ্যালয়ৰ আলোচনীৰ একাদশ সংখ্যা ২০০২-০৩ চনত প্ৰকাশিত হয়। এই সংখ্যাৰ সম্পাদক প্ৰাণজিৎ বৰা আৰু তত্ত্বাৱধায়ক অধ্যাপিকা ইৰাণী দত্ত মেধি। আলোচনীখন

বালিপাৰাৰ মেগা কম্পিউটাৰ প্ৰিন্টাৰ্ছত ছপা কৰা হৈছে। ত্যাগবীৰ হেম বৰুৱাৰ স্মৃতিত সংখ্যাটি উছৰ্গা কৰা হৈছে। এই সংখ্যাৰ কবিতা শিতানত অন্নদা শংকৰ কলিতা, গৌতম বৰা, শংকৰ তাঁতী, ৰাজু হাজৰিকা, জয়প্ৰকাশ পেগু, দিগন্ত শইকীয়া, বিনীত কাকতি, ৰাজু হাজৰিকা, সঞ্জীৱ বৰদলৈ, সৌৰভ নাথ, দ্বিজেন ভাগৱতী, হৃষিকেশ মুখাৰ্জী, দিপালী দেৱী, প্ৰাঞ্জল কটকীৰ কবিতা প্ৰকাশ পাইছে।

প্ৰবন্ধ শিতানত ননী নাৰায়ণ বৰুৱা, নিবেদিতা ভৰালী ডেকা, দ্বিজেন ভাগৱতী, ৰাস্না ৰাজখোৱা, হেমন্ত গগৈ, দিগন্ত হাজৰিকা, অনিমেষ নাথ, পলাশ গায়ন, বিপ্লৱানন্দ বৰা আৰু সঞ্জয় গায়নৰ প্ৰবন্ধ আছে। গল্প শিতানত— বুলবুলি দাস, ৰশ্মিৰেখা ভূএগ, অভিজিৎ বৰা, বিনীতা কৈকৎৰ গল্প প্ৰকাশ পাইছে। ইংৰাজী শিতানত Mannuel Baraik, Gautam Borah, Sabita Devi, Purnima Devi, Jitin Saikia, Rajib Saikia, Prof. Dilip kumaar Bhuyan, Prof. Jayanta Baruah, Prof. Manisha Das, Prof. Anju Chetry, Prof. Ramesah Dabari, Prof. Sanjoy Kumar Newar, Dipamoni Saikia, Prof. Ajanta Nath, Prof. Golap Kalitaৰ লিখনী প্ৰকাশিত হৈছে।

মহাবিদ্যালয় আলোচনীৰ দ্বাদশ সংখ্যা ২০০৪-০৫ চনত প্ৰকাশিত হয়। এইটো সংখ্যাৰ সম্পাদক দিপাঙ্কৰ হাজৰিকা আৰু তত্বাৱধায়ক অধ্যাপক ৰমেশ দবাৰী। আলোচনীখন বিশ্বনাথ চাৰিআলিৰ গোল্ডেন লেটাৰ্ছত ছপা কৰা হৈছে। আলোচনীৰ এই সংখ্যাটো নতুন প্ৰজন্মৰ হাতত উচৰ্গা কৰা হৈছে। প্ৰবন্ধ শিতানত অমিয়া শৰ্মা, গৌতম বৰুৱা, দিলীপ কুমাৰ ভূএগ, জ্যোতিৰ্ময় বৰদলৈ, কুঁহিমণি মিশ্ৰ, ৰাস্না ৰাজখোৱা, দুৰ্গেশ্বৰ নাথ, অধ্যাপক ভাস্কৰ কলিতা, অধ্যাপক খঞ্জন কুমাৰ দাস আৰু অধ্যক্ষ সদানন্দ হাজৰিকাৰ প্ৰবন্ধ প্ৰকাশ পাইছে। কবিতা শিতানত দ্বিজেন ভাগৱতী, মিনাক্ষী বৰা, মুনমী বৰা, ক্ষীৰ কলিতা, কুঁহিমণি মিশ্ৰ, ৰূপাঞ্জলী বৰা, ৰাণা পাত্ৰ, ৰুমী দেৱী, জ্যোতি প্ৰকাশ ঠাকুৰীয়া, দুৰ্গেশ্বৰ নাথ, বিজয় সিং, ডলী হাজৰিকা, অন্নদা শংকৰ কলিতা, জ্যোতিৰ্ময় বৰদলৈ, বিনীতা কাকতি, নিবেদিতা দাস, নিতু কুমাৰ নাথ, বুলবুলি ডেকা, গোলাপ কলিতা, বিভা দেৱী, আশাদীপা শইকীয়া, জ্যোতিস্মীতা দেৱী, ৰুলা গোস্বামীৰ কবিতা প্ৰকাশিত হৈছে। গল্প শিতানত সীমা গায়ন, ৰঞ্জু ভট্টাচাৰ্য, বুলবুলি ডেকা, পুষ্প দাহালৰ গল্প প্ৰকাশ পাইছে। বিপুল শইকীয়া আৰু ৰমেশ দবাৰীৰ কৌতুক আৰু দিপাঙ্কৰ হাজৰিকাৰ কুইজ আছে। ইংৰাজী শিতানত Gautam Baruah, Kaberi Saikia, Gopal Sarkar, Parasar Sharma, Prof. Ramesh Dabari, Kuldeep Baruah, Khilumoni Devi, Prof. Apurba kumar Medhi, Prof. Sanjib Upadhaya, Dulal Medhi, Kiran Limbu, Puspa Dahal, Nabin Bharali, Prof. Sumanta Rajbanshi, Deepanka[r] Hazarika, Prof. Dinesh ch. Dasৰ লিখনী প্ৰকাশি[ত] হৈছে।

মহাবিদ্যালয় আলোচনীৰ ত্ৰয়োদশ সংখ্যাটো প্ৰকাশ পা[য়] ২০০৫-০৬ চনত। এই সংখ্যাৰ সম্পাদক দিপাংকৰ বৰা আ[ৰু] তত্বাৱধায়ক অধ্যাপক খঞ্জন কুমাৰ দাস। আলোচনী[খন] জামুগুৰিহাটৰ ষ্টাৰ প্ৰিন্টাৰ্ছত মুদ্ৰিত। কবিতা শিতানত ক[...] গোস্বামী, ক্ষীৰ কলিতা, দিলীপ কুমাৰ ভূএগ, প্ৰদীপ গোস্বামী, ৰাস্না ৰাজখোৱা, চন্দ্ৰমোহন নাথ, ভবানন্দ বৰা, তিলক শৰ্মা, পাৰ্থপ্ৰতীম গগৈ, জ্যোতিস্মীতা দেৱী, ৰঞ্জু ভট্টচাৰ্য, কাবেৰি কাকতি, পাপৰী শইকীয়া, দীপাঙ্কৰ নাথ, পুষ্প দাহাল, হালি[মা] খাতুন, মহেন্দ্ৰ শৰ্মা, মনোৱাৰা বেগম মজুমদাৰ, শান্তিমণি দা[স], গৌৰি শংকৰ নাথ আৰু প্ৰিঞ্জুম হাজৰিকাৰ কবিতা প্ৰকা[শ] পাইছে। প্ৰবন্ধ শিতানত ৰেমী বৰমুদৈ, পল্লৱী দুৱৰা, ক[...] বৰা, পপী ডেকা, গণেশ পাঠক, পম্পী দেৱী, পল্লৱী হাজৰি[কা], মানসী বৰা, নিবেদিতা ভৰালী, পুষ্প দাহাল, পংখী হাজৰি[কা], জাহ্নৱী গগৈ, খঞ্জন কুমাৰ দাস আৰু মৃন্ময় কুমাৰ নাথৰ প্ৰব[ন্ধ] আছে। গল্প শিতানত ৰঞ্জু ভট্টচাৰ্য, দীপামণি দেৱী, স্মৃতিৰে[খা] বৰা, বুলবুলি ডেকা, বেদান্ত নাথ, দিপাঙ্কৰ হাজৰিকা আ[ৰু] মনোৱাৰা বেগম মজুমদাৰৰ গল্প আছে।

ইংৰাজী শিতানত Sahabuddin Ahmed, Gauta[m] Baruah, Sumanta Rajbanshi, Manisha Das, [...] Sangeeta Kalita, Manjeet Deka, Kuldip Barua[h], Suhel Ansari, Nitumoni Devi, Ananya Borthak[ur], Uttam Sahu, Ramesh Dabari, Nitumoni De[vi], Nabin Bharali, Dulal Mahali, Ghana[...] Biswakarma, Priti Pandey, Tapan ch. D[...] Uttam Sahuৰ লিখনী প্ৰকাশিত হৈছে।

মহাবিদ্যালয় আলোচনীৰ চতুৰ্দশ সংখ্যাটো প্ৰকাশিত [...] ২০০৭-০৮ বৰ্ষত। এইটো সংখ্যাৰ সম্পাদিকা পল্লৱী বৰকা[...] আৰু তত্বাৱধায়ক অধ্যাপক খঞ্জন কুমাৰ দাস। আলোচনী জ্ঞানদীপ কম্পিউটাৰ, জামুগুৰিহাটত মুদ্ৰিত। প্ৰবন্ধ শিতানত হিমাংশু ৰঞ্জন ভূএগ, ৰিঞ্জুৰী গগৈ, সুৰেন্দ্ৰ নাথ ঠাকুৰী[য়া], ছবিৰাণী দাস, প্ৰণামিকা বৰা, শ্যামলী বৰা, ইলুমণি [...] নীলাভ বৰুৱা আৰু মুন্‌লী শৰ্মা বৰুৱাৰ প্ৰবন্ধ প্ৰকাশ পাই[ছে।] গল্প শিতানত দ্বিপেন কুমাৰ শৰ্মা, মানালিচা দাস, কপিল [...] বৰা, মনোৱাৰা বেগম মজুমদাৰ আৰু প্ৰাঞ্জল বৰাৰ [...] প্ৰাকশিত হৈছে। কবিতা শিতানত— ক্ষীৰ কলিতা, ইৰাণী [...] মেধি, ৰাস্না ৰাজখোৱা, পূৰ্ণানন্দ দাস, ৰিম্‌ঝিম বৰঠাকুৰ, [...] দাস, বীণা দেৱী, মৃন্ময় কুমাৰ নাথ আৰু হিৰণ্য বৰুৱাৰ ক[বিতা] প্ৰকাশ পাইছে। ইংৰাজী শিতানত— Rumi Das, Su[...] Sarmah, Rajakhsmi Basumatary, Tul[...] Upadhayaya, Sazadur Rahman, Md. Su[...]

Ansari, Santosh kr. Thakur, Rajat Chetry, Udipta Medhi, Ramesh Dabari, Bhaskar Sarmah, Prandeep Das, Durga Sunnar, Keshab Biswakarma, Manash Hazarikaৰ লিখনী প্ৰকাশিত হৈছে।

মহাবিদ্যালয় আলোচনীৰ পঞ্চদশ সংখ্যাটো হৈছে বৰ্তমানৰ সংখ্যাটো। এইটো সংখ্যাৰ প্ৰকাশৰ কাল ২০০৯-১০। এই সংখ্যাটোৰ সম্পাদক শ্ৰীগজেন নাথ আৰু তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীকুমুদ তালুকদাৰ।

ওপৰৰ বিৱৰণৰ পৰা দেখা যায় যে ১৯৬৩ চনত প্ৰতিষ্ঠা লাভ কৰা ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰখন ১৯৭৫-৭৬ চনৰ পৰাহে প্ৰকাশিত হৈছে। একেটা বৰ্ষতে মহাবিদ্যালয়খনে অসম চৰকাৰৰ ঘাটি মঞ্জুৰীৰো অন্তৰ্ভুক্ত হৈছে। আৰম্ভণিতে মুখপত্ৰখনৰ নাম 'ত্যাগবীৰ হেম বৰুৱা কলেজ আলোচনী' আছিল। কিন্তু ১৯৮৫-৮৬ চনৰ চতুৰ্থ সংখ্যাটোৰ পৰা আলোচনীখন 'ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আলোচনী' নামেৰে প্ৰকাশিত হয়। মহাবিদ্যালয় আলোচনীৰ ইতিমধ্যে চৈধ্যটা সংখ্যা প্ৰকাশিত হৈছে আৰু বৰ্তমান সংখ্যাটোৰে মুঠ প্ৰকাশিত সংখ্যা পোন্ধৰটা। ইয়াৰ উপৰিও ১৯৮৯ চনত মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী উপলক্ষে এখন স্মৃতিগ্ৰন্থ প্ৰকাশিত হয়। স্মৃতিগ্ৰন্থখনৰ সম্পাদক অধ্যাপক ভবেন বৰা। শেহতীয়াভাৱে মহাবিদ্যালয়খনৰ ২০১০ চনৰ নবাগত আদৰণি সভা উপলক্ষে আলোচনী বিভাগৰ সৌজন্যত 'অন্বেষা' নামৰ এখন আলোচনী প্ৰকাশ পায়। 'অন্বেষা'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাটোৰ প্ৰকাশ কাল ২০১০। এইটো সংখ্যাৰ সম্পাদক গজেন নাথ আৰু তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীকুমুদ তালুকদাৰ।

'ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আলোচনী'ৰ তালিকা—

সংখ্যা	সম্পাদক	তত্ত্বাৱধায়ক	বৰ্ষ
প্ৰথম সংখ্যা—	পুণ্যজ্যোতি গোস্বামী—	ইন্দ্ৰ প্ৰসাদ হাজৰিকা, গোলাপ কলিতা—	১৯৭৫-৭৬।
দ্বিতীয় সংখ্যা—	জগত চন্দ্ৰ নাথ—	ইন্দ্ৰ প্ৰসাদ শইকীয়া—	১৯৭৭-৭৮।
তৃতীয় সংখ্যা—	কৃষ্ণকান্ত তালুকদাৰ—	ইন্দ্ৰ প্ৰসাদ হাজৰিকা—	১৯৮১-৮২।
চতুৰ্থ সংখ্যা—	প্ৰণৱ ফুকন—	ইন্দ্ৰ প্ৰসাদ হাজৰিকা—	১৯৮৫-৮৬।
পঞ্চম সংখ্যা—	(এই সংখ্যাটো পোৱা নহ'ল)	—	—
ষষ্ঠ সংখ্যা—	ৰোমান বৰা—	ইন্দ্ৰ প্ৰসাদ হাজৰিকা—	১৯৯৫-৯৬।
সপ্তম সংখ্যা—	(এই সংখ্যাটো পোৱা নহ'ল)	—	—
অষ্টম সংখ্যা—	সিদ্ধাৰ্থ শংকৰ কলিতা—	ইন্দ্ৰ প্ৰসাদ শইকীয়া—	১৯৯৬-৯৭।
নৱম সংখ্যা—	(এই সংখ্যাটো পোৱা নহ'ল)	—	—
দশম সংখ্যা—	ৰাজীৱ বৰুৱা—	ইন্দ্ৰ প্ৰসাদ শইকীয়া—	১৯৯৮-৯৯।
একাদশ সংখ্যা—	প্ৰাণজিৎ বৰা—	ইৰাণী দত্ত মেধি—	২০০২-০৩।
দ্বাদশ সংখ্যা—	দিপাঙ্কৰ হাজৰিকা,—	ৰমেশ দবাৰী—	২০০৪-০৫।
ত্ৰয়োদশ সংখ্যা—	দিপাংকৰ বৰা—	খঞ্জন কুমাৰ দাস—	২০০৫-০৬।
চতুৰ্দশ সংখ্যা—	পল্লৱী বৰকাকতি—	খঞ্জন কুমাৰ দাস—	২০০৭-০৮।
পঞ্চদশ সংখ্যা—	গজেন নাথ—	কুমুদ তালুকদাৰ—	২০০৯-১০।

◆◆

(বিঃ দ্ৰঃ — মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত পোৱা তথ্যৰ ভিত্তিত তালিকাখন প্ৰস্তুত কৰা হৈছে। প্ৰয়োজন সাপেক্ষে তালিকাখনৰ সংশোধন হ'ব পাৰে— লেখক)

Globalization and Indian Economic thinking in Ancient India

❀ ***Sahabuddin Ahmed***
Associate Prof. & HOD
History

Globalization means free trade and free movement of all factors of production including labour. Therefore, we can categorically say that India has been pioneering of globalization process from its early times. It has used foreign trade successfully to her national and regional material prosperity. The concept of international trade and commerce has been borrowed from Indian traders of the past. It is to be mentioned here that due to lack of written documents both in historical, socio economic and political fields one may deny the facts. In this circumstances we are to depend on archeological evidences, like ancient inscriptions and monuments etc. which are scattered through ont India and its old colonial establishments, though it is reliable but not sufficient.

As we have already mentioned that in this connection we have to depend mainly on our indirect sources like inscriptions, coins and accounts of foreign travellers. Important literary sources are the two epics viz. The Ramayana and Mahabharata even the Jatakas and other texts written in various Indian languages e.g. Bengali, Tamil, Oriya and Telegue etc. But it is very unfortunate that the Economists and even the historians had paid a little attention to explore the matters in connection with Indian's foreign trade and commerce both by land and sea routes, started in the third century B.C.

Most of the Indian traders and sailors began their trade to near east countries like Mynmar, Cylon, Malasia, Indonesia, Phillipines, Laos, Vietnam, Java, Sumatra, Combodia and Bali which were popularly known as 'Subarnabhumi' (land of gold) by the Indians. The important items included spices, perfumes, jewels and fine textiles (Muslins), ivory, sugar, rice, ghee, Indian iron, lac etc. Not only that the Indian traders exported iron lac. Even the Assamese pat silk and other indegenions goods exported to China through North-Eastern mountain passes which were known by the Assamese people as duar. Through these northern duars the Bhutiya traders imported to India the Chinese silk via Tibet.

It was during the time of the Mauryan administration, the Indian traders started their trade with Hellenistic world after Alexander's invasion of India in the 4th century B.C.. On the western side the Indian traders facilitated this process during this period.

Thus, India's partnership in the internationa trade was extended both to the west up t Roman Empire and to the east to 'Subarnabhum via cylon. This maritime trade controlled by th Indian Merchants enjoyed a major share in th global trade which was largely free in those day barring some tariffs in the ports like Tamralip Couchin, Calicutt etc. Even the Indian merchants gradually settled there and as a matter o fact Indian colonies were extended their specially in the Gupta and later Gupta period.

It was during the reign of Gupta kin Chandra Gupta II; Fa-hien the Chinese travelle visited India as well as Hiuen-Isang visited Indi during the reign of Harsha-Vardhana. From th period Chino-Indian trade relation had bee started. It is very significant on the part of India economic history.

The discovery of land routes between Indi towards western countries via Afganis than an Kabul up to the Black Sea. Goods wer transferred via land route to Alexandria. From there sea-routes had been used by the India

traders. Thus Indian maritime trade flourished to the west in ancient times.

The maritime trade had extended during the time of the Chola and Pallava's administration to the South-East-Asian islands. The pearl trade of the Pandya kingdom was very important.

Through these trade facilities the Indian culture and civilization flourished due to globalization process in the past to 'Subarnabhumi'. Indian language, literature, music, religion, art, architecture, painting, sculpture and social organizations too spread there, which are still practiced in the South-East-Asian Countries. Both Hinduism and Buddhism spread extensively in those countries. The famous temple at Barabudur, Ankur vat etc are some ample evidences for the growth of globalization process in ancient India.

The factors responsible for the decline and downfall of India's globalization process in the past are both economic and non-economic. The Indian merchants had to face competitions from the Arabian and Roman merchants. Specially the Arabian traders and the advent of Islamic rule in India in the second millennium also contributed the setback of India's control over the trade in the Far-East.

As we know that the Portugees sailor Vasco-da-gama invented the sea route to India in 1498 AD and from that time the western nations specially the Portuguese, Dutch, Spanish, English and the French trading companies has been started trading communications with India. And thus the globalization process has been flourished throughout Europe from 16th century A.D.

Conclusion it is cleared that Indian process of globalization had started and flourished in the past, but it was not clearly written in the ancient Indian literary works. Though it is a modern concept in the present economic context throughout the world, which India has followed more then 1500 years ago. Therefore, we can conclude, that the Indians are the pioneers of the ideas of globalization in ancient times.

◆◆

References :

1) Aiyar C.P.Ramaswani, 'The cultural Heritage of India vol. II, Reprint 1993.
2) Basam A.L. The wonder that was India, Calcutta, 1997
3) Majumdar R.C., Hindu Colonies in the Far-East, Calcutta, 1996
4) Mahajan V.D.; Ancient India, New Delhi, 1986
5) Siraj Mihajuddin 'Tabaquat-I-nasiri' translated in to English by Ravarty (London), 1881.
6) Sen R.K.; The Indian Economic journal, vol 51 (2003-04)